**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
**:::::::::::::::::::::::::::::::::::::**

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা আজি কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। নগাঁও লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, মন্ত্ৰী পীযূষ হাজৰিকা,   মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কেশৱ মহন্তকে ধৰি বহুকেইগৰাকী বিধায়ক উপস্থিত থাকে। আনহাতে দৰং-ওদালগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াই আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে।

ইপিনে ৯ নম্বৰ নগাঁও সংসদীয় সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে আজি জিলা নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। কৰিমগঞ্জ সমষ্টিৰ আই এন ডি আই মিত্ৰজোঁটৰ সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। এই মনোনয়ন পত্ৰ দাখিলৰ সময়ত জিলা কংগ্ৰেছৰ সভাপতি, প্ৰাক্তন সভাপতিকে ধৰি আন কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে। ডিফু লোকসভা সমষ্টিৰ পৰা গণ সুৰক্ষা সমিতিৰ প্ৰাৰ্থী জন বেনাৰ্ড ছাংমাই মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে কাইলৈ মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন স্থানত শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে নগাঁৱৰ পানীগাঁও চাৰিআলিত থকা ডচন স্কুল খেলপথাৰত এখন নিৰ্বাচনী সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই সভাৰ পাছতে সুৰেশ বৰাই নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে আজি শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰঞ্জিত দত্তৰ হৈ ঢেকীয়াজুলিত প্ৰচাৰ চলায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সবকা সাথ সবকা বিকাশ নীতিৰে দেশ আগবাঢ়ি গৈছে বুলি মন্তব্য কৰি কয় যে, এই সময়ছোৱাত দেশত শান্তি স্থাপন হোৱাৰ লগতে দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে চৰকাৰী সুবিধাসমূহ লাভ কৰিবলৈ সক্ষম হ'ল। আনহাতে বিত্ত মন্ত্ৰী অজন্তা নেওগে যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন গগৈৰ সমৰ্থনত বৰহোলা অঞ্চলৰ ঠায়ে ঠায়ে কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। বৰহোলা সোণোৱাল কছাৰী সাংস্কৃতিক বিকাশ কেন্দ্ৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত ভালেসংখ্যক কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে তিতাবৰ সমষ্টিৰ ৮৩ নম্বৰ নামচুঙি পঞ্চায়তত

প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত জিলা বিজেপিৰ সভাপতি হেমন্ত কলিতা, ঠেঙাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী প্ৰতাপ কছাৰীকে ধৰি অসম গণ পৰিষদৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

ইপিনে যোৰহাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি পুনৰ মাজুলীৰ কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাজিৰঙা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে কলিয়াবৰৰ মিছাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ লগতে মিছামুখ, হালোৱা গাঁও, শিলঘাট, কেলিডেন চাহ বাগিচা, শালনা আদি অঞ্চলত প্ৰচাৰ চলায়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ জালুগুটি একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ইলাৰাম দাসৰ বাসগৃহত উপস্থিত হয়। গুৰুগৃহতো প্ৰৱেশ কৰি আশিস নিৰ্মালী লয়। ইলাৰাম দাসৰ আধ্যাত্মিক জ্যেতিয়ে অসমখনক সদায় আলোকিত কৰি ৰাখিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে আজি মেচিনত বোৱা গামোচাৰ বিৰুদ্ধে মহানগৰীৰ ফাঁচী বজাৰত অভিযান চলায়। অভিযানকাৰী দলটোৱে কেইবাখনো দোকানৰ পৰা ৫৮ খন মেচিনত বোৱা গামোচা জব্দ কৰে। উল্লেখযোগ্য যে, অসমীয়াৰ গামোচাখনে  ভৌগোলিক মান্যতা লাভ কৰাৰ পিছতো একাংশ অসাধু ব্যৱসায়ীয়ে ৰঙালী বিহুৰ সুযোগ লৈ মেচিনত বোৱা গামোচা বিক্ৰী কৰি আহিছে। বিভাগীয় এটা সূত্ৰই জনোৱা মতে গণেশগুৰি, ফাঁচী বজাৰ আদিত অভিযান চলাই এতিয়ালৈ মুঠ ৩৫০ খন মেচিনত বোৱা গামোচা জব্দ কৰে।

০০০০০

বিটিচি প্ৰশাসনৰ মীন বিভাগে মাছৰ বংশবৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে বিটিআৰত মাছ ধৰাত নিষেধাজ্ঞা জাৰি কৰিছে। একেদৰে আজি তামুলপুৰ জিলা প্ৰশাসনেও জিলাখনত এই নিষেধাজ্ঞা জাৰি কৰে। তামুলপুৰ জিলা আয়ুক্তই প্ৰকাশ কৰা মতে জিলাখনত আঢ়ৈ বৰ্গ ইঞ্চিতকৈ কম ব্যাসাৰ্ধৰ যিকোনো জালৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। লগতে কণী থকা মাছ ধৰাৰ ক্ষেত্ৰতো প্ৰতিবন্ধকতা আৰোপ কৰা হৈছে।

০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যকৰী গোটে আজি অভিযান চলাই গড়চুকৰ আই এছ বি টিৰ পৰা এজন নকল সোণৰ সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে ধৃত লোকজন হ'ল উত্তৰ লখিমপুৰৰ নকাৰীৰ জাকিৰ হুছেইন। লোকজনৰ পৰা আৰক্ষীয়ে প্ৰায় ডেৰ কিলোগ্ৰাম ওজনৰ এখন নকল সোণৰ নাও, দুটা ম'বাইল ফোন আৰু নগদ ধন জব্দ কৰে। অধিক তথ্যৰ বাবে আৰক্ষীয়ে লোকজনক সোধাপোছা অব্যাহত ৰাখিছে।

০০০০০

ঃসমাপ্তঃ